

# সাম্প্ৰতিক কবিতা

সম্পাদনা ঃ ড° অৰবিন্দ ৰাজখোৱা

কুসুম্বৰ
২৩/১০/২০১৬

# সাম্প্ৰতিক কবিতা

সম্পাদনা ঃ ড° অৰবিন্দ ৰাজখোৱা

নিৰীক্ষণ প্ৰকাশন

Sampratik Kabita

# সাম্প্ৰতিক কবিতা

সম্পাদনা ঃ ড° অৰবিন্দ ৰাজখোৱা

**ISBN : 978-93-82723-42-4**

নিৰীক্ষণ প্ৰকাশন, অসমীয়া ভাষা আৰু ছফ্‌টৱেৰ বিকাশ কেন্দ্ৰ,
আৰ. জি. বৰুৱা ৰোড, কমাৰ্চ কলেজৰ বিপৰীতে, গুৱাহাটী-৩ৰ হৈ ৰাগিণী পূবালী বৰাবৰদ্বাৰা
প্ৰকাশিত আৰু শৰাইঘাট অফছেট প্ৰেছ, গুৱাহাটীত মুদ্ৰিত।
ফোনঃ +91- 84039-96206

প্ৰথম প্ৰকাশ ঃ ২০১৬
© সংশ্লিষ্ট লেখক

প্ৰচ্ছদৰ পেইন্টিং ঃ ভিনচেণ্ট ভেন গ'ঘৰ *Wheatfield with Crows*
প্ৰচ্ছদসজ্জা আৰু অংগসজ্জা ঃ অৰবিন্দ ৰাজখোৱা
ডি.টি.পি ঃ অৰূপ কোঁৱৰ

মূল্য ঃ ১০০ টকা

The book is sold subject to the condition that it shall not, by way of trade or otherwise, be lent resold, hired out, or otherwise circulated in any form or by any means electronics, mechanical, photocopying, recording or otherwise, or stored on any retrieval system of any nature without concern writer's or the publisher's writing consent in form of binding cover. This right is asserted by the publisher in accordance with the Copyright Act, 1957 (as amended).

₹ 100



## পাতনি

এই গ্ৰন্থখন নিতান্তই এক বিশেষ পাঠ্যক্ৰমৰ প্ৰয়োজনত প্ৰস্তুত কৰা হৈছে। পাঁচটা নতুন কবিতা সন্নিবিষ্ট উক্ত পাঠ্যক্ৰম অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ পাঠ্যপুথি হিচাপেই এই গ্ৰন্থৰ প্ৰথম পৰিচয়। কথাখিনি স্পষ্ট কৰিবৰ বাবে আৰু কিছু কথা ক'ব লাগিব।

২০১৩ চনত অসমৰ শৈক্ষিক ইতিহাসত প্ৰথমবাৰৰ বাবে নৰ্থ লখিমপুৰ মহাবিদ্যালয়ে স্বায়ত্তশাসনৰ মৰ্যাদা লাভ কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগে কিছুমান বিশেষ দিশৰ সাফল্যৰ ওপৰত ভিত্তি কৰি ইতিমধ্যে (২০১৩ লৈকে) ভাৰতবৰ্ষৰ চাৰিশৰো অধিক মহাবিদ্যালয়ক স্বায়ত্তশাসন প্ৰদান কৰিছে। এই স্বায়ত্তশাসনৰ অৰ্থ হ'ল শৈক্ষিক দিশত মহাবিদ্যালয়ে নিজাকৈ দিনপঞ্জী, পৰীক্ষা ব্যৱস্থা, পাঠ্যক্ৰম আদি প্ৰৱৰ্তন কৰিব পাৰে। শৈক্ষিক গতিশীলতাৰ বাবেই বিশ্ববিদ্যালয় অনুদান আয়োগে এনে অনুমতি আৰু স্বীকৃতি প্ৰদান কৰে। নৰ্থ লখিমপুৰ মহাবিদ্যালয়েও তেনে পৰিকল্পনাৰে শৈক্ষিক দিশত নিজা ব্যৱস্থা আৰম্ভ কৰিলে। অসমত সম্পূৰ্ণ অপৰিচিত আৰু নতুন এই ব্যৱস্থাত কিছুমান ত্ৰুটি-বিচ্যুতি যে সৃষ্টি হৈছে সেয়া নুই কৰিব নোৱাৰি। তাৰ মাজতো ভালেমান নতুন আৰু ফলপ্ৰসু কাম পোৱাৰ সুযোগ পোৱা গৈছে। অসমীয়া বিষয়ৰ স্নাতক পাঠ্যক্ৰম প্ৰস্তুত কৰোতেও তেনে চেষ্টা কৰা হৈছে। উদাহৰণস্বৰূপে কম্পিউটাৰত অসমীয়া ভাষা ব্যৱহাৰৰ বাবে ব্যৱহাৰিক শিক্ষাৰ এখন সম্পূৰ্ণ কাকত এই পাঠ্যক্ৰমত আছে। অসমৰ স্নাতক পৰ্যায়ৰ আন কোনো পাঠ্যক্ৰমতে এই ব্যৱস্থা নাই। সমান্তৰালভাৱে সাহিত্যৰ বিভিন্ন বিধা অধ্যয়নৰ ক্ষেত্ৰত পূৰ্বৰ দৰে এটা 'সুবিধাজনক' যুগতে বৈ নিদি যিমান পৰা যায় সাম্প্ৰতিক সময়লৈকে আহিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ জৰিয়তে সাহিত্যৰ শেহতীয়া গতিবিধিৰ বুজ লোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সুবিধা হয়।

স্নাতক পৰ্যায়ৰ অসমীয়া বিষয়ৰ কবিতাৰ কাকতখনতো এটা অতিৰিক্ত গোট (ইউনিট) সংযোগ কৰি আপেক্ষিকভাৱে শেহতীয়া পাঁচজন কবিৰ পাঁচটা কবিতা অন্তৰ্ভুক্ত কৰা হৈছে। এই কিতাপখনত অনুমতি সাপেক্ষে উক্ত কবিতাকেইটা সন্নিবিষ্ট কৰা হৈছে। লগতে প্ৰত্যেকটো কবিতাৰে একোটাকৈ আলোচনাও ইয়াত ছপা হৈছে। ইয়াৰে নীলিম কুমাৰৰ কবিতা সম্পৰ্কীয় প্ৰবন্ধটো পুনৰ মুদ্ৰণ কৰিবলৈ অনুমতি প্ৰদান কৰি ড° আনন্দ বৰমুদৈ ছাৰে আমাৰ কৃতাৰ্থ কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে যাতে কাকতখন অধ্যয়ন কৰোতে অসুবিধা নাপায় সেই কথা ভাবিয়েই এই সংকলনটি প্ৰকাশ কৰা হৈছে।

অৰবিন্দ ৰাজখোৱা
১০-১১-২০১৬

## সূচীপত্ৰ

### কবিতাসমূহ


| | | |
|---|---|---|
| ভেৰ্‌ভেৰীত এৰাতি | ৭ | অৰনী চক্ৰৱৰ্তী |
| যদি কোনোদিন প্ৰশ্ন উঠে | ৯ | সনন্ত তাঁতী |
| নিমখ | ১১ | নীলিম কুমাৰ |
| শামুক | ১৪ | অনুপমা বসুমতাৰী |
| মা | ১৫ | জীৱন নৰহ |


### কবিতাসমূহৰ আলোচনা


| | | |
|---|---|---|
| অৰনী চক্ৰৱৰ্তীৰ 'কবিকণ্ঠ' আৰু 'ভেৰ্‌ভেৰীত এৰাতি' | ১৬ | মৃদুল শৰ্মা |
| সনন্ত তাঁতীৰ কবিতা আৰু 'যদি কোনোদিন প্ৰশ্ন উঠে' | ২৫ | ৰিণ্টু শইকীয়া |
| উত্তৰ আধুনিকতাৰ বাটত নীলিম কুমাৰৰ কবিতা | ৪০ | ড° আনন্দ বৰমুদৈ |
| 'শামুক' ঃ মানৱ হৃদয়ৰ বিষাদবোধ আৰু অৱক্ষয়ৰ ইতিহাস | ৫১ | ড° মনমী বৰুৱা |
| জীৱন নৰহৰ 'মা' | ৫৮ | কুসুম্বৰ চেতিয়া |

## কুসুম্বৰ চেতিয়া

# জীৱন নৰহৰ 'মা'

সাম্প্ৰতিক অসমীয়া কবিতাৰ ক্ষেত্ৰখনত স্বকীয় মহিমাৰে কবিতা ৰচনা কৰি বিশেষ আসন লাভ কৰা তৰুণ কবিসকলৰ ভিতৰত জীৱন নৰহৰ নাম বিশেষভাৱে উল্লেখযোগ্য। বিংশ শতিকাৰ শেষ দশকৰ পৰা ধাৰাবাহিকভাৱে কবিতা ৰচনাত মনোনিৱেশ কৰা জীৱন নৰহৰ বৰ্তমানলৈ কেইবাখনো কবিতা সংকলন প্ৰকাশিত হৈ ওলাইছে। 'অ' মোৰ ধুনীয়া কপৌফুল' (মিচিং লোক কবিতাৰ পৰা অসমীয়ালৈ অনূদিত, ১৯৯৪), তুমি পকা ধানৰ দৰে গোন্ধাইছা (১৯৯৪, ১৯৯৯), ঢৌ খেলা ল'ৰালিৰ ছাঁ(১৯৯৭), টাৰি-ৰি(২০০০), মোমাইদেউৰ ফুলনি(২০০৮), শুনা মোৰ ফুলকলি(মিচিং লোক কবিতাৰ পৰা অনুদিত, ২০০৮), হালধীয়া উপমা(তুমি পকা ধানৰ দৰে গোন্ধাইছা, ঢৌ খেলা ল'ৰালিৰ ছাঁ, টাৰি-ৰি তিনিখন কাব্যগ্ৰন্থ একত্ৰে, ২০১০) আদি বহুকেইখন কাব্য সংকলন ইতিমধ্যে প্ৰকাশিত হৈছে। তদুপৰি জীৱন নৰহে দুই-এখন উপন্যাস ৰচনাতো মনোনিৱেশ কৰা পৰিলক্ষিত হয়। সি যি কি নহওক জীৱন নৰহ বুলি ক'লে প্ৰধানতঃ কবি জীৱন নৰহৰ কথাহে সততে মনলৈ আহে। আমাৰ প্ৰস্তাৱিত আলোচনাত জীৱন নৰহৰ কবিতাৰ চমু অৱলোকনৰ লগতে তেওঁৰ "মা" কবিতাটোৰ বিচাৰ-বিশ্লেষণ আগবঢ়োৱাৰ প্ৰয়াস কৰা হ'ব।

কবি জীৱন নৰহে 'হালধীয়া উপমা' শীৰ্ষক কাব্যগ্ৰন্থখনৰ পাতনিত তেওঁৰ কবিতাৰ বিষয়বস্তু মূলতঃ প্ৰেম বুলি উল্লেখ কৰিছে। অৱশ্যে তেওঁৰ সামগ্ৰিক কবিতাৰাজিলৈ

---

জীৱন নৰহ সম্পৰ্কে অতিৰিক্ত তথ্য ঃ জন্ম - ১৯৭০। জন্মস্থান - গোলাঘাট জিলাৰ মৰঙিয়াল গাঁও। বৰ্তমান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় অসমীয়া বিভাগৰ সহযোগী অধ্যাপক। বৃহত্তৰ অসমীয়া জাতিক সমন্বিত কৰি ৰাখিবৰ বাবে বিভিন্ন পৰিকল্পনাৰে অহৰহ কাম কৰি থকা নৰহে বেজবৰুৱাৰ দেৰশ বছৰীয়া জন্ম জয়ন্তীৰ সময়ত অসম সংগীতটো উত্তৰ-পূব ভাৰতৰ বহু ভাষালৈ অনূদিত কৰাই তথা পৰিৱেশন কৰাই এক আলোড়ন সৃষ্টি কৰিছিল। জীৱন নৰহে উপন্যাস ৰচনাতো মনোনিৱেশ কৰিছে। ২০০০ চনত তেওঁৰ অইকলি নামৰ প্ৰথমখন উপন্যাস প্ৰকাশ পায়। ২০১১ চনত প্ৰকাশ পোৱা 'চোৱা পীতাম্বৰ শ্যাম বৰণৰ মেঘ উৰে' উপন্যাসখন তেওঁৰ এক গুৰুত্বপূৰ্ণ সৃষ্টি।



চকু ফুৰালে লক্ষ্য কৰা যায় যে তেওঁৰ কবিতাৰ বিষয়বস্তু কেৱল প্ৰেমৰ মাজতেই আৱদ্ধ হৈ থকা নাই। সমাজ-সংস্কৃতিৰ বিভিন্ন দিশৰ পৰা আৰম্ভ কৰি শৈশৱৰ স্মৃতি বিজড়িত প্ৰেম-প্ৰণয়সুলভ কথা, গ্ৰাম্য সমাজ, প্ৰকৃতিৰ নানা উপাদান তেওঁৰ কবিতালৈ আমদানি হৈছে। উল্লেখনীয় যে দ্বিভাষিক সংস্কৃতিৰ বাতাবৰণত থাকি কাব্য চৰ্চা কৰা নৰহৰ কবিতাত মিচিং জনজাতীয় সমাজখনৰ বহুবোৰ দিশেই নিৰ্ভেজাল, নিৰ্মেদ ৰূপত কবিতাৰ মাজলৈ আহি পৰিছে। উপমা, চিত্ৰকল্প, প্ৰতীক প্ৰয়োগৰ দিশত নৰহৰ কবিতাৰ মাজত মিচিং লোক-কবিতাৰ বিশেষ প্ৰভাৱ পৰিলক্ষিত হয়। নৰহৰ ভাষাত— 'মোৰ কবিতাত যি দুই এটি উপমা-চিত্ৰকল্প, প্ৰতীকৰ ব্যৱহাৰ হৈছে- ইয়াৰ উঁহটো হৈছে অসমীয়া লোক-কবিতা আৰু মিচিং জনজাতীয় কবিতাসমূহ। আনকি মোৰ কবিতাত কাণেৰে শুনি নোপোৱা যি মৃদু সুৰ (tone) এটি বৈ থাকে ইয়ো পূৰামাত্ৰাই জনজাতীয় গীতৰ সুৰেই।'[1] উল্লেখনীয় যে সাম্প্ৰতিক অসমীয়া কবিতাৰ ক্ষেত্ৰখনত যি কেইজন কবিয়ে তেওঁলোকৰ কবিতাত লোক-সমাজৰ ভিন্ন উপাদান প্ৰয়োগ কৰিছে, তাৰ ভিতৰত জীৱন নৰহ বিশেষভাৱে উল্লেখযোগ্য বুলি ক'ব পাৰি। প্ৰধানতঃ জনজাতীয় লোক-সমাজৰ বিভিন্ন দিশ যেনে— লোকগীত, লোকগাঁথাৰ প্ৰতিধ্বনি তথা অনুৰণনে নৰহৰ কবিতাক সুকীয়া মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

বিশিষ্ট সমালোচক ড° কবীন ফুকনৰ ভাষাত 'জীৱন নৰহ প্ৰতীকবাদী কবি।'[2]

আধুনিক অসমীয়া কবিতাক বিশেষ ৰূপ-বৈচিত্ৰ্য প্ৰদান কৰা নীলমণি ফুকনৰ কাব্যৰীতিৰ প্ৰভাৱ তেওঁৰ কবিতাত বহু সময়ত পৰিলক্ষিত হয়। বিশেষকৈ প্ৰতীক-চিত্ৰকল্পৰ প্ৰয়োগ, মেদহীন শব্দ সংযোজন তথা সহজ-সৰল নিৰাভৰণ ৰূপৰ প্ৰকাশভংগীৰ ক্ষেত্ৰত জীৱন নৰহৰ কবিতাত নীলমণি ফুকনৰ কাব্যৰীতিৰ প্ৰভাৱ আছে বুলি বিশিষ্ট সমালোচক সকলে আঙুলিয়াই দেখুৱাইছে। এই দিশৰ পৰা নীলমণি ফুকনৰ কাব্য চেতনাক প্ৰসাৰিত কৰাৰ ক্ষেত্ৰত জীৱন নৰহ উত্তৰসূৰী কবি। অৱশ্যে জীৱন নৰহৰ কবিতাৰ মাজত মৌলিকত্বৰ অভাৱ বুলি ক'লে ভুলকৈ ভবা হ'ব। শব্দ সংযোজন, ৰূপবস্তু নিৰ্মাণ, কবিতাবোৰৰ অন্তৰ্নিহিত সুৰ আৰু বিষয়বস্তু নিৰ্বাচনৰ ক্ষেত্ৰত কবিয়ে বিশেষ দক্ষতাৰ পৰিচয় দিবলৈ সক্ষম হৈছে। প্ৰকৃতাৰ্থত মৌলিক অনুভূতি তথা বিষয়বস্তুৰ বৈচিত্ৰ্যতাই জীৱন নৰহৰ কবিতাৰ সুকীয়া মান নিৰূপন কৰিছে। এই কথা বিশিষ্ট কবি সমালোচক ড° কবীন ফুকনৰ বক্তব্যত অতি স্পষ্টৰূপত প্ৰকাশ পাইছে— 'বিশেষ ৰীতি আনুগত্যই নৰহক, তেওঁৰ শব্দক আৰু তেওঁৰ তীব্ৰ মাদকতাময় আবেগ-অনুভূতিক শৃংখলা দিছে। এই শৃংখলা আৰু সংযমেৰে তেওঁ ব্যঞ্জণাময় কাব্যপ্ৰকাশ সুন্দৰকৈ চলাবলিব পাৰিছে।'[3]

জীৱন নৰহৰ 'মা' এটা উল্লেখযোগ্য কবিতা। কবিতাটো জীৱন নৰহৰ কাব্যপুথি 'টাৰি-ৰি'ত অন্তৰ্ভুক্ত হৈছে। কবিতাটোৰ মাজেৰে কবিয়ে চিৰন্তন শ্বাশ্বত সত্য একোটাৰ


হে যেন প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰিছে। কবিৰ দৃষ্টিত 'মা' কেৱল তেজ-মঙহৰ ৰূপেই নহয়, মাৰ মাজত নিহিত হৈ আছে এক চিৰন্তন সত্ত্বা। সেই সত্ত্বাৰ মাজত কবিয়ে আৰোপিত কৰিছে চিৰন্তন একোটা সত্য। মানৱ জীৱনলৈ অহা বৃদ্ধাৱস্থা আৰু সেই বৃদ্ধাৱস্থাই কঢ়িয়াই অনা নিসংগতা আৰু দুখবোধ এই সত্যৰ মূল কথা। অপ্ৰিয় হ'লেও সত্য যে বাৰ্দ্ধক্যই মানুহৰ জীৱনত দুখৰহে সঞ্চাৰ কৰে। সেই দুখ পুত্ৰ-জী আঁতৰত থকা দুখো হ'ব পাৰে নতুবা সেই দুখ স্বাস্থ্যগত অসুবিধাই কঢ়িয়াই অনা দুখো হ'ব পাৰে। কবিতাটোত বৰ্ণিত মাতৃগৰাকীৰ ক্ষেত্ৰটো উল্লিখিত দুখৰ বৰ্হিপ্ৰকাশ ঘটিছে। অকলশৰীয়া, নিসংগ মাতৃগৰাকীয়ে সেয়ে মদ পান কৰিয়েই যেন দুখৰ দিনবোৰ পাৰ কৰিব বিচাৰিছে। কবিয়ে মাতৃৰ দুখৰ কাৰণ জানে। অথচ কবি মাতৃৰ সেই দুখ আঁতৰ কৰিব পৰা নাই বা কৰিবৰ জোখাৰে তেনে কোনো সুবিধা পোৱা নাই। সেয়ে জোখতকৈ বেছি মদ খাই দিন পাৰ কৰা মাতৃ গৰাকীৰ অৱস্থা কবিয়ে বুজি উঠিছে। কবিতাটোত তাৰ প্ৰকাশ এনেদৰে ঘটিছে—

'আই, তুমি প্ৰয়োজনতকৈ বেছি মদ খাইছা
তোমাৰ শুভ্ৰ চুলিকোছাৰ ভাৱনাত
বেছিকৈ বুৰাই পেলাইছা মদৰ বাটিত
আমি দূৰৈত আছোঁ কাৰণে তুমি ৰিং মাৰি বৈ বৈ কান্দা'

স্তৱকটোৰ মাজেৰে মিচিং জনজাতীয় সমাজৰ এগৰাকী বৃদ্ধা মাতৃৰ চিৰন্তন ছবি এখন উজ্বলি উঠিছে বুলি ক'ব পাৰি। বিশেষকৈ মদৰ প্ৰসংগই এই কথা অধিক প্ৰতীয়মান কৰি তুলিছে। কাৰণ মিচিং জনজাতীয় সমাজত সকলো ক্ষেত্ৰতে মদ অপৰিহাৰ্য বস্তু। সেই সমাজত এই পানীয় সাধাৰণতে সকলোৱে গ্ৰহণ কৰে। কবিতাটোত বৰ্ণিত বৃদ্ধত্ব আৰু নিসংগতাই গ্ৰাস কৰা মাতৃ গৰাকীৰ কাৰণে সেয়ে মদেই হৈ পৰিছে চিৰলগৰী। তথাপি পুত্ৰ-জীৰ কাৰণে মাতৃৰ যি চিৰন্তন আকুলতা সেয়া শেষ হৈ যোৱা নাই। সেয়ে হয়তো বৃদ্ধা মাতৃগৰাকীয়ে বৈ বৈ কান্দে। এই বৈ বৈ কন্দা শব্দকেইটা ব্যঞ্জণাধৰ্মী কাৰণ ইয়াত মাতৃ গৰাকীৰ কান্দোনৰ লগতে কিবা কথা মনত পেলোৱাৰ অৰ্থও নিহিত হৈ আছে। মাতৃ গৰাকীৰ দুখবোৰ এবাৰতে শেষ হৈ যোৱা নাই। গভীৰ দুখবোধ, বৃদ্ধত্ব আৰু নিসংগতাই মাতৃগৰাকীৰ মনত অহৰহ ক্ৰিয়া কৰি আছে। সেয়ে যেতিয়াই মনত পৰে তেতিয়াই মাতৃগৰাকীৰ কান্দোন নিগৰি ওলাই আহে। এবাৰ শেষ হ'লে সেয়ে সেই কান্দোন পুনৰ আৰম্ভ হয়। তদুপৰি কবিতাটোত প্ৰয়োগ হোৱা 'চকুলোবোৰ গাৰুৰ গিলিপত দকৈ তিয়াইছা'— শাৰীটোৱে এই দুখবোধক আৰু অধিক গভীৰ ৰূপত প্ৰকাশ কৰাত সহায় কৰিছে।

কবিয়ে মাতৃৰ অন্তৰৰ দুখ বুজি পায়। মাতৃৰ মনৰ কাৰুণ্য কবিয়ে অনুভৱ কৰিব





পাৰে। কবিয়ে জানে বৃদ্ধত্ব এটা চিৰন্তন সত্য। এই সত্যৰ মাজত থকা দুখৰ কথা কবিয়ে বুজে। সেয়ে চিৰন্তন সত্য এটাক স্বাভাৱিকভাৱে ল'বলৈ কবিয়ে মাতৃক অনুৰোধ কৰিছে—

'তোমাৰ বয়স বাঢ়ি গৈছে আই বিননি নুতুলিবা
দেউতাৰ কথাত জোঁট লাগি বেছিকৈ নেখাবা'

বৃদ্ধ অৱস্থাৰ নিসংগতাপূৰ্ণ জীৱনে কবিৰ মাতৃক সুস্থিৰ হৈ থাকিবলৈ দিয়া নাই। সকলো সময়তে চিন্তাগ্ৰস্ত আৰু নিচাগ্ৰস্ত মাতৃৰ অস্বাভাৱিক ৰূপটো কবিতাটোত কবিয়ে এনেদৰে প্ৰতিফলিত কৰিছে—

তুমি নিচাখোৰ হৈ গৈছা,
ৰাতি হ'লে ঢলি পৰা, আকৌ উঠা
জোন-তৰাঁলৈ হাত বাউল দি মাতা,
চিঞৰা, চিঞৰি চিঞৰি সুৰীয়াকৈ টানি কান্দা'

উক্ত স্তৱকটোৰ মাজেৰে এগৰাকী অসংযত-অস্বাভাৱিক মাতৃৰ কৰুণ ছবি ফুটি উঠিছে। জীৱন-জগতৰ চিৰন্তন সত্যক স্বাভাৱিকভাৱে বহন কৰিব নোৱাৰা মাতৃৰ অস্বাভাৱিক ছবিখনে সামগ্ৰিক সত্য এটাক প্ৰকাশ কৰিবলৈ সক্ষম হৈছে বুলি ক'ব পৰা যায়। ইয়াত যেন কেৱল কবিৰেই নহয়, সকলো মাতৃৰেই অৱস্থা প্ৰকাশ পাইছে। নিত্য-নৈমিত্তকভাৱে কবিৰ মাতৃয়ে দিন-ৰাতি পাৰ কৰিছে, অস্বাভাৱিক আচৰণ কৰিছে, অথচ তাৰ মাজত এগৰাকী মাতৃৰ চিৰন্তন আকুলতা প্ৰকাশ পাইছে। কবিৰ মাতৃয়ে 'জোন-তৰাঁলৈ হাত বাউল দি মতা' আৰু 'চিঞৰি সুৰীয়াকৈ টানি কন্দা'ৰ মাজত যেন তাৰেই অৰ্থবহ প্ৰকাশ ঘটিছে। জোন-তৰাৰ দৰে মাতৃগৰাকীৰ সকলো আঁতৰত থাকে। বিচাৰিলে বা মাতিলে তেওঁ কাকো কাষত নাপায়। তথাপি মাতৃগৰাকীৰ মাতত আকুলতা লক্ষ্য কৰা যায়। সেয়ে চিঞৰবোৰ, কান্দোনবোৰৰ মাজতো আকুল সুৰ প্ৰতিধ্বনিত হৈছে। ইয়াৰ মাজেৰে এগৰাকী মাতৃৰ চিৰন্তন মমত্ববোধৰ প্ৰতিফলন ঘটিছে বুলি ভাবিবৰ স্থল আছে। কবিয়ে সেয়ে মাতৃক 'বেছিকৈ নাকান্দিবা আই' বুলি পুনৰ সকীয়াই দিছে।

কবিতাটোৰ শেষৰ স্তৱকটোত প্ৰয়োগ হোৱা ' কপৌ চৰাইবোৰক গছৰ ডালত বহিবলৈ' দিয়া' শাৰীটো প্ৰতীকধৰ্মী আৰু অধিক অৰ্থবহ। মাতৃৰ বৃদ্ধাৱস্থাৰ দুখবোধ আৰু অস্থিৰতাই তেওঁলোককো যাতে ক্ৰিয়া নকৰে তাৰ বাবে কবিয়ে মাতৃক দুখ পাতলাবলৈ কাতৰভাৱে অনুৰোধ কৰিছে। নহ'লে মাকৰ দৰে তেওঁলোক য'ত আছে শান্তিত থাকিব নোৱাৰিব। কবিয়ে প্ৰয়োগ কৰা 'কপৌ চৰাই' প্ৰতীকটো অধিক অৰ্থবহ। উৰণীয়া চৰাই য'তে ত'তে থকাৰ দৰে কবিতাত বৰ্ণিত মাতৃগৰাকীৰ সন্তানবোৰো য'তে ত'তে আছে। উৰণীয়া কপৌ চৰাইয়ে গছৰ ডালত বহি শান্তিত জিৰণী লোৱাৰ



দৰে মাতৃৰ সন্তানবোৰো শান্তিত থকাটো কবিয়ে আশা কৰে। অন্যথা মাক সংযমী নহ'লে মাকৰ দুখত সন্তানবোৰো দুখী হ'ব আৰু তেনে হ'লে মাতৃৰ দুখৰ বোজা আৰু অধিক হ'ব। কবিয়ে অনুভৱ কৰিছে যে মাতৃৰ কাৰণে তেনে দুখ সহ্যাতীত হ'ব। সেয়ে কবিয়ে মাতৃক বাৰে বাৰে নাকান্দিবলৈ, দুখ নকৰিবলৈ সকীয়াই দিছে।

কবিতাটোৰ শেষৰফালে কবিয়ে মাতৃৰ শুকাই অহা বুকুযোৰ, শুকাই অহা স্তনযোৰৰ উল্লেখেৰে চিৰাচৰিত নিয়মৰেই যেন ইংগিত দাঙি ধৰিছে। যৌৱন, বৃদ্ধত্ব আদিবোৰ প্ৰকৃতিৰ চিৰাচৰিত নিয়ম যদিও কবিৰ দৃষ্টিত সকলোবোৰ প্ৰকৃতিৰ নিয়ম মানুহৰ জীৱনৰ লগত একে নহয়। কবিয়ে কবিতাটোত তাৰেই তুলনা দাঙি ধৰিছে এনেদৰে—

'নদী শুকালে আকৌ বাঢ়িব, কিন্তু
তোমাৰ স্তনযোৰ নাবাঢ়ে আই'

নদী বৈ থাকে চিৰদিন, চিৰকাল। এটা ঋতুত শুকাই গ'লে বেলেগ ঋতুত নদী পুনৰ ভৰি পৰে। কিন্তু মানৱ জীৱন নদীৰ দৰে নহয়। মানৱ জীৱনৰ শেষ আছে। জন্ম হ'লে যিদৰে মৃত্যু আছে ঠিক তেনেদৰে যৌৱন হ'লে বৃদ্ধত্ব আছে। কবিতাটোত মানৱ জীৱনক নদীৰ লগত তুলনা কৰি কবিয়ে যেন সেই চিৰাচৰিত সত্যটোকেই প্ৰকাশ কৰিব বিচাৰিছে। কবিৰ বৃদ্ধা মাতৃৰ প্ৰসংগৰেই যেন তাৰেই দাৰ্শনিক ব্যাখ্যা আগবঢ়াইছে। জীৱন-যৌৱন এবাৰেই আহে। এবাৰ গ'লে তাক পুনৰাই পোৱা অসম্ভৱ। সেয়ে কবিয়ে কবিতাটোত বৰ্ণিত বৃদ্ধা মাতৃৰ বয়সৰ আন সকলো বৃদ্ধাৰ প্ৰসংগ টানি আনিছে। সকলোৰে যিহেতু একে দশা, কোনো ব্যতিক্ৰম যিহেতু নাই, গতিকে কবিৰ মতে তেন কথাত দুখ কৰি লাভ নাই। কবিৰ বক্তব্য পোনপটীয়াকৈ কবিতাটোৰ শেষৰ শাৰীটোত ফুটি উঠিছে—

'সকলো বুঢ়ীৰে সেই একেটাই দশা দুখ কৰি কি লাভ'

সামগ্ৰিকভাৱে জীৱন নৰহৰ 'মা' কবিতাটোলৈ লক্ষ্য কৰিলে দেখা যায় যে বৰ্তমান আধুনিক সমাজৰ বাতাবৰণে পৰম্পৰাগত সমাজৰ মাতৃ এগৰাকীলৈ কঢ়িয়াই অনা নিসংগতা, বিষণ্ণতাৰ প্ৰতিফলনেই যেন কবিতাটোৰ মূল কথা। আধুনিক জীৱনৰ তাগিদাতেই হওক বা কৰ্ম ক্ষেত্ৰৰ বাধ্যবাধকতাৰ কাৰণেই হওক, বৃদ্ধা মাতৃৰ পৰা পুত্ৰ-জী বহু আতৰত থাকিবলগা হৈছে আৰু ফলত মাতৃ গৰাকীয়ে দুখত জীৱন কটাব লগাত পৰিছে। বৃদ্ধাৱস্থাত পুত্ৰ-জীক কাষত বিচাৰিলেও নোপোৱাৰ যি বেদনা তাৰেই যেন স্পষ্ট প্ৰতিফলন ঘটিছে নৰহৰ 'মা' কবিতাটোত। আধুনিক জীৱন-যাত্ৰাই যেন এই দুখবোধ আৰু নিসংগতাৰ মূল কাৰণ। অৱশ্যে কবিতাটোৰ মাজেৰে পৰিধি ভাঙি ওলাই অহা মানুহৰ ছবিও অনুৰণিত হৈছে। মাতৃয়ে বাস কৰা সমাজখনৰ পৰা কবিয়ে কৰ্মৰ বাবেই হওক বা আন কাৰণতেই হওক ওলাই আহি আতৰত থাকিব লগা হৈছে।

তাৰ ফলত নিসংগ হৈ পৰা মাতৃৰ দুখৰ কথা কবিয়ে নুবুজা নহয়। তথাপি কবি যেন নিৰুপায়। সেয়ে কবিয়ে মাকক সান্ত্বনা দিছে, ধৈৰ্য ধৰিবলৈ পৰামৰ্শ দিছে।

প্ৰকৃতাৰ্থত কবিয়ে 'মা' কবিতাটোৰ মাজেৰে জীৱনৰ চিৰন্তন সত্য কিছুমানক উদঙাই দেখুৱাইছে। সহজ-সৰল শব্দ সংযোজন, পোনপটীয়া বক্তব্যই কবিতাটোক আস্বাদনীয় কৰি তুলিছে বুলিব লাগিব। অৱশ্যে কবিয়ে কবিতাটোৰ নামকৰণত প্ৰয়োগ কৰা 'মা' শব্দটোৰ ধাৰাবাহিকতা সকলো স্তৱকতে লক্ষ্য কৰা নাযায়। কবিতাটোৰ নামকৰণত প্ৰয়োগ হোৱা 'মা'ৰ সমাৰ্থক হিচাপে কবিতাটোত 'আই' শব্দটোৰহে প্ৰয়োগ হৈছে। তেনেদৰে কবিতাটোৰ শেষৰ শাৰীত প্ৰয়োগ কৰা 'বুঢ়ী' শব্দটোৱে 'মা' শব্দটোৰ গাম্ভীৰ্যত আঘাত সনা যেন অনুভৱ হয়। কবিতাটোৰ ৰস আস্বাদনত ই কিছু পৰিমাণে ব্যাঘাত জন্মাইছে বুলি ক'ব পাৰি। সি যি কি নহওক ভাবৰ গভীৰতা, প্ৰকাশভংগীৰ সৰলতা তথা নিৰ্মেদ-নিৰ্মোহভাৱে জীৱনৰ চৰম সত্য একোটাক বিশ্লেষণ কৰি প্ৰকাশ কৰাৰ ক্ষেত্ৰত জীৱন নৰহৰ 'মা' কবিতাটো সাৰ্থক কবিতা হিচাপে পৰিগণিত হৈছে বুলি অভিহিত কৰিব পাৰি।

**প্ৰসঙ্গটীকা ঃ**

১ জীৱন নৰহ ঃ *হালধীয়া উপমা*, পৃষ্ঠা-১৮

২ কবীন ফুকন ঃ *কবিতাৰ জুতি বিচাৰ*, পৃষ্ঠা-১৫৩

৩ উল্লিখিত, পৃষ্ঠা-১৫৩

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ফুকন, কবীন ঃ *কবিতাৰ জুতি বিচাৰ*, লয়াৰ্ছ, ১৯৯৬

বৰগোহাঞি, হোমেন ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড)*, আবিলেক, ২০১২

ডেকা, নমিতা ঃ *কবি আৰু কবিতা*, বাণী মন্দিৰ, ২০০৭

নৰহ, জীৱন ঃ *হালধীয়া উপমা*, আঁক-বাঁক, ২০১০

**আলোচনী আৰু বাতৰি কাকত ঃ**

দাস শোণিত বিজয়(সম্পা.) ঃ *কথা গুৱাহাটী*, চতুৰ্থ বছৰ চতুৰ্থ সংখ্যা, আগষ্ট ২০০৮-ফেব্ৰুৱাৰী ২০০৯

## ইয়াত আছে

অৱনী চক্ৰৱৰ্তী, সনন্ত তাঁতী, নীলিম কুমাৰ, অনুপমা বসুমতাৰী আৰু জীৱন নৰহৰ একোটিকৈ কবিতাৰ পাঠ আৰু কেউটা কবিতাৰ আলোচনা। আলোচনা আগবঢ়াইছে ড° আনন্দ বৰমুদৈ, মৃদুল শৰ্মা, ড° মনমী বৰুৱা, কুসুম্বৰ চেতিয়া আৰু ৰিণ্টু শইকীয়াই।

₹100.00

ISBN 978-93-82723-42-4